**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-06-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অসম চৰকাৰৰ কেবিনেট বৈঠকত উন্নয়ন খণ্ডৰ পুনৰ গঠন, পঞ্চায়ত আৰু জিলা পৰিষদৰ সীমা নিৰ্ধাৰণকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত।

২। ৰাজ্যৰ শেহতীয়া বান পৰিস্থিতি ক্ৰমাৎ জটিল। ১৯ খন জিলা বানৰ কবলত।

৩। আজি ৰাভা দিৱস। ৰাজ্য চৰকাৰৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ দিনজোৰা কাৰ্যসূচীৰে কলাগুৰুক স্মৰণ।

৪। কেন্দ্ৰীয় চৰকাৰে প্ৰশ্নকাকত ফাদিল হোৱা সন্দৰ্ভত জুনত অনুষ্ঠিত ইউ জি চিৰ নেট পৰীক্ষা বাতিল।

**আৰু**

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপত ছুপাৰ এইট পৰ্যায়ৰ খেলত আজি ভাৰত আৰু আফগানিস্তানৰ মুখামুখি।

০০০০০০

ৰাজ্যত অহা নৱেম্বৰৰ মাহৰ ভিতৰত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰাজ্যখনত ইতিমধ্যে বিধানসভা আৰু লোকসভা সমষ্টি পুনৰ নিৰ্ধাৰণ হোৱাৰ পৰিপ্ৰেক্ষিতত পঞ্চায়ত আৰু উন্নয়ন খণ্ডসমূহৰো পুনৰ গঠন কৰি পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিব। মুখ্যমন্ত্ৰী ড° হিমন্তবিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি জনতা ভৱনৰ লোকসেৱা ভৱনত অনুষ্ঠিত অসম চৰকাৰৰ কেবিনেট বৈঠকত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। বৈঠকত লোৱা সিদ্ধান্ত অনুসৰি অহা ৩০ আগষ্টৰ পূৰ্বে পঞ্চায়তসমূহত আৰু ১৫ ছেপ্তেম্বৰৰ পূৰ্বে ব্লকসমূহৰ পুনৰ নিৰ্ধাৰণৰ কাম সম্পূৰ্ণ কৰা হ'ব। কেবিনেট বৈঠকৰ অন্তত সংবাদমাধ্যমৰ আগত এই সিদ্ধান্তৰ বিষয়ে সদৰী কৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কয় যে, সৰ্বাধিক ১৭ খন গাঁও পঞ্চায়ত লৈ একোটা উন্নয়ন খণ্ড গঠন কৰা হ'ব। তেওঁ কয় যে, বিধানসভা সমষ্টিৰ সীমা নিৰ্ধাৰণৰ পাছত উন্নয়ন খণ্ডৰ বিদ্যমান অধিকাৰ ক্ষেত্ৰক এটাকৈ অধিক বিধানসভা সমষ্টি কৰাৰ বাবে পুনৰ্গঠন আৰু সীমা নিৰ্ধাৰণৰ প্ৰয়োজনীয়তা উদ্ভৱ হয়। পুনৰ গঠনৰ পাছত এটা উন্নয়ন খণ্ড কেৱল এটা বিধানসভা সমষ্টি অন্তৰ্ভুক্ত হ'ব। উন্নয়ন খণ্ডৰ মুঠ সংখ্যা বৰ্তমানৰ ২১৯টাতকৈ অধিক নহ'ব। যদি কোনো উন্নয়ন খণ্ড দুই বা ততোধিক জিলাৰ মাজত বিভক্ত কৰা হয় বৰ্তমানৰ খণ্ড মুখ্য কাৰ্যালয় থকা জিলাৰ খণ্ড হিচাপে বিবেচনা কৰা হ'ব। এটা উন্নয়ন খণ্ডৰ অধীনত সৰ্বাধিক ১৭ খন গাঁও পঞ্চায়ত থাকিব বুলিও মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং, ডিমা হাচাওৰ উন্নয়ন খণ্ডসমূহত কোনো পৰিৱৰ্তন নহ'ব। মন্ত্ৰী ডাঃ পেগুৱে কয় যে, প্ৰতিটো বিধানসভা সমষ্টিত চাৰিটাকৈ জিলা পৰিষদৰ সমষ্টি থাকিব আৰু প্ৰতি ৩০ হাজাৰ জনসংখ্যাৰ বিপৰীতে এটাকৈ জিলা পৰিষদৰ সমষ্টি গঠন হ'ব। আনহাতে লোকসভা নিৰ্বাচনৰ পূৰ্বে বহু ব্যৱসায়ীলৈ জি এছ টি জাননী প্ৰেৰণ কৰাৰ বিষয়টো কালি অনুষ্ঠিত কেবিনেট বৈঠকত আলোচনা কৰা হয়। কেবিনেটৰ সিদ্ধান্ত

অনুসৰি ৰাজ্যখনৰ ৬ খন চহৰ- তিনিচুকীয়া, শিৱসাগৰ, যোৰহাট, গুৱাহাটী, তেজপুৰ আৰু শিলচৰৰ ব্যৱসায়ীসকলৰ সৈতে জি এছ টিৰ বিষয়টো লৈ মন্ত্ৰীদ্বয় অজন্তা নেওগ আৰু অশোক সিংঘালে অহা পযেকৰ ভিতৰত আলোচনাত মিলিত হ'ব। মন্ত্ৰীদ্বয়ে এই আলোচনাৰ ভিত্তিত যুগুতাই উলিওৱা প্ৰতিবেদন পৰ্যালোচনা কৰি কেবিনেটে পৰৱৰ্তী কাৰ্য ব্যৱস্থা ল'ব। তদুপৰি ৰাজ্যখনৰ প্ৰতিটো বিধানসভা সমষ্টিত খেলৰ মান উন্নত কৰাৰ বাবে একোটা যুৱ ক্লাৱ স্থাপনৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই ক্লাৱসমূহত চৰকাৰে আন্তঃগাঁথনি উন্নয়নৰ বাবে ৫ লাখ টকাকৈ প্ৰদান কৰিব আৰু চৰকাৰৰ তৰফৰ পৰা প্ৰতিটো ক্লাৱকে ১০ লাখ টকাৰ খেলৰ সামগ্ৰী প্ৰদান কৰা হ'ব।

০০০০০০

ৰাজ্যখনত শেহতীয়াকৈ ১৯ খন জিলা বানৰ কবলত পৰিছে। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে কালি প্ৰকাশ কৰা তথ্য অনুসৰি ৪৮টা ৰাজহ চক্ৰৰ ৯৭৯ খন গাঁওৰ প্ৰায় ৩ লাখ লোক বানৰ কবলত পৰিছে। প্ৰশাসনে স্থাপন কৰা ১০৫ টা আশ্ৰয় শিবিৰত ১২ হাজাৰৰো অধিক লোকে আশ্ৰয় গ্ৰহণ কৰি আছে। এই বানত ২৬ জন লোকৰ মৃত্যু হোৱাৰ লগতে কৰিমগঞ্জত ৫ জন লোকৰ ভূমিস্খলনত মৃত্যু হৈছে। ব্ৰহ্মপুত্ৰকে ধৰি ৰাজ্যৰ বিভিন্ন নৈ-উপনৈৰ পানী বাঢ়ি থকাৰ ফলত ৰাজ্যখনৰ ন-ন অঞ্চল প্লাৱিত হৈছে। ইপিনে, নগৰ অঞ্চলত হোৱা বানত কোকৰাঝাৰ, কামৰূপ, কাছাৰ, কামৰূপ মহানগৰ আৰু নলবাৰী জিলাত এহেজাৰতকৈ অধিক লোক ক্ষতিৰ সন্মুখীন হৈছে। প্ৰশাসনে এই জিলাকেইখনত স্থাপন কৰা দুটা আশ্ৰয় শিবিৰত ২৩৫ জন লোকে আশ্ৰয় লৈ আছে। ইপিনে, বানৰ ফলত বিভিন্ন অঞ্চলত পথ যোগাযোগ আৰু আন্তঃগাঁঠনিৰো ক্ষতি হৈছে।

চৰকাৰী সূত্ৰই জানিবলৈ দিয়া মতে, নলবাৰী জিলাৰ ৬টা ৰাজহ চক্ৰৰ ১০৯ খন গাঁও বানৰ কবলত পৰিছে। জিলাখনৰ বৰভাগ ৰাজহ চক্ৰৰ ১৮ খন, ঘগ্ৰাপাৰৰ ২৯ খন, বানেকুছিৰ ৫ খন, পশ্চিম নলবাৰীৰ ৮ খন আৰু টিহু ১৫ খন আৰু নলবাৰী ৰাজহ চক্ৰ বানৰ কবলত পৰিছে। জিলাখনত স্থাপন কৰা ৬টা আশ্ৰয় শিবিৰত ৩ শতাধিক লোকে আশ্ৰয় গ্ৰহণ কৰি আছে। নলবাৰী জিলাৰ বানাক্ৰান্তৰ বাবে হেল্পলাইন নম্বৰ ১০৭৭ৰ উপৰি ০৩৬২৪-২২০২১৯ মুকলি কৰিছে।

ওদালগুৰি জিলাৰ বিভিন্ন অঞ্চল বছৰৰ প্ৰথমটো বানত বুৰিছে। নেৰানেপেৰা বৰষুণৰ ফলত জিলাখনৰ মাজেৰে বৈ যোৱা ননৈ, শুক্লাই, কুলশী নদীকে ধৰি দক্ষিণবাহিনী নৈসমূহৰ বাঢ়নী পানীয়ে জিলাখনৰ বিভিন্ন অঞ্চল প্লাৱিত কৰাৰ উপৰি ওদালগুৰি আৰু টংলা নগৰৰ বিভিন্ন অঞ্চলত কৃত্ৰিম বানৰ সৃষ্টি কৰিছে। ভেঁৰগাঁও মহকুমাৰ পৰবাহুচুৰা গাঁৱৰ বানাক্ৰান্ত ২৫টা পৰিয়ালৰ লগতে শতাধিক লোক পৰবাহুচুৰা প্ৰাথমিক বিদ্যালয়ত স্থাপন কৰা শিৱিৰত আশ্ৰয় দিয়া হৈছে।

গোৱালপাৰা জিলাতো বানে জটিল ৰূপ লৈছে। নেৰানেপেৰা বৰষুণৰ ফলত মেঘালয়ৰ পৰা নামি অহা পানীয়ে জিলাখনৰ ন ন অঞ্চল প্লাৱিত কৰাৰ লগতে বাট পথ, দলং আদিৰো ক্ষতি সাধন কৰিছে। জিলা দুৰ্যোগ প্ৰশমন বিভাগৰ তথ্য অনুসৰি জিলাখনত এতিয়ালৈ ৭৯ খন ৰাজহ গাঁও বানৰ কবলত পৰিছে। ইয়াৰে লক্ষীপুৰ ৰাজহ চক্ৰৰ ২৬ খন, বালিজান ৰাজহ চক্ৰৰ অন্তৰ্গত ১৭ খন, মাটিয়া ৰাজহ চক্ৰৰ ৩১ খন আৰু দুধনৈ ৰাজহ চক্ৰৰ অন্তৰ্গত ৫ খন ৰাজহ গাঁও প্লাৱিক গৈ ৩ হাজাৰ ১৪০ গৰাকী লোক ক্ষতিগ্ৰস্ত হৈছে। প্ৰশাসনে লক্ষীপুৰ

ৰাজহ চক্ৰৰ অন্তৰ্গত ৰংচাই উচ্চ মাধ্যমিক বিদ্যালয়ত স্থাপন কৰা আশ্ৰয় শিবিৰত ১৭০ গৰাকী লোকক আশ্ৰয় প্ৰদান কৰিছে।

ইফালে, জলেশ্বৰ সমষ্টিৰ সাতশিয়া পামাৰ পামেৰবিলা হৈ খলিছাভিটা গাইবান্ধলৈ যোৱা পথত থকা দলংখন পানীৰ ঢলে উটুৱাই নিয়াত ৰাইজে নাৱেৰে পথচোৱা পাৰ হ'বলগীয়া হৈছে। এই সমষ্টিৰ ধুমেৰঘাট অঞ্চল প্লাৱিত হোৱাত বিগত ৩ দিন ধৰি ধুমেৰঘাট আৰু লক্ষীপুৰৰ যাতায়াত বিচ্ছিন্ন হৈ আছে। একেদৰে সিজুকোনা গাঁৰৰ কাঠৰ দলংখন উটুৱাই নিয়াৰ প্ৰায় ১০ খন গাঁৱৰ যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে। আনহাতে ৰংচাই জিনজিৰাম নৈৰ বাঢ়নী পানীয়ে জুৰিগাঁও বৰ্মনপাৰা অঞ্চলত বানৰ সৃষ্টি কৰিছে। একেদৰে দ্বাৰকা অঞ্চলৰ মঘু-খত্ৰীয়পাৰা, পুঠিমাৰী, জগন্নাথ পাৰা, কিশোৰীডুবি আদি গাঁৱত বানে শোচনীয় ৰূপ লৈছে।

ধুবুৰীৰ লগতে জিলাখনৰ গৌৰীপুৰ, গোলকগঞ্জ আৰু বিলাসীপাৰাৰ প্ৰায় সকলো নৈ-উপনৈ বিশেষকৈ ব্ৰহ্মপুত্ৰ, চম্পাৱতী, সোণকোশ, গৌৰাং আদি নৈৰ জলস্তৰ অস্বাভাৱিকভাৱে বৃদ্ধি পাইছে। বিলাসীপাৰা ৰাজহ চক্ৰৰ অধীনৰ গোৱালেৰ চৰ, মাসানেৰ আলগা, বুচীৰ চৰৰ ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে ওচৰৰ প্ৰায়বোৰ অঞ্চল বুৰাই পেলাইছে। এই অঞ্চলসমূহৰ নৈৰ বাঢ়নী পানীৰ ফলত বাটপথ পানীত বুৰ যোৱাত যাতায়ত সম্পূৰ্ণ ব্যাহত হৈছে। বিলাসীপাৰা, হাতীপোটা গাঁও পঞ্চায়তৰ বিভিন্ন বিদ্যালয় বানৰ কবলত পৰিছে। ইফালে পশ্চিম বিলাসীপাৰা শাইলঘৰা, ঘূৰ্ণীমাৰী মায়াৰ চৰ, বন্দিহান আদি অঞ্চলত ব্ৰহ্মপুত্ৰৰ বাঢ়নী পানীয়ে বিস্তৰ ক্ষতি সাধন কৰিছে। আনফালে অঞ্চলবোৰত গৌৰাং আৰু ব্ৰহ্মপুত্ৰৰ গৰা খহনীয়াই ভয়ংকৰ ৰূপ ধাৰণ কৰিছে।

০০০০০০

**নিজৰ লগতে সমাজৰ বাবে যোগ-** এই বিষয় বস্তুৰে এইবাৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰিবলৈ লোৱা হৈছে। যোগ দিৱস উদযাপনৰ বাবে ৰাজ্যজুৰি ব্যাপক প্ৰস্তুতি অব্যাহত চলোৱা হৈছে। ব্যক্তিৰ, শাৰীৰিক, মানসিক সুস্থতা আৰু আধ্যাত্মিক বিকাশৰ লক্ষ্যৰে উদযাপন কৰা যোগ দিৱসৰ সৈতে সংগতি ৰাখি যোগ অনুশীলনৰ শিবিৰ মুকলি কৰাৰ লগতে বিভিন্ন স্থানত যোগৰ প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। পৰিৱৰ্তিত জীৱনশৈলী, মানসিক চাপ দূৰীকৰণ আৰু শৰীৰটো সুস্থ কৰি ৰখাৰ ক্ষেত্ৰত যোগৰ ভূমিকা অপৰিসীম। যোগাভ্যাসৰ গুৰুত্ব সন্দৰ্ভত যোগ বিশেষজ্ঞ বাবী ভৰালীয়ে এইদৰে কয়-

**-ভইচ-**

০০০০০০

আজি বিষ্ণু ৰাভা দিৱস। এই উপলক্ষে ৰাজ্য চৰকাৰৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে দিনজোৰা কাৰ্যসূচীৰে বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাদেৱলৈ গভীৰ শ্ৰদ্ধা নিবেদন কৰিছে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত দৰং মহাবিদ্যালয় প্ৰেক্ষাগৃহত আয়োজিত ২০২৪ বৰ্ষৰ বিষ্ণু ৰাভা দিৱসৰ কাৰ্যসূচীত তেওঁ অংশগ্ৰহণ কৰিব। এই কাৰ্যসূচীতে বিশিষ্ট লোকশিল্পী ধৰ্মেশ্বৰ নাথ আৰু চিত্ৰশিল্পী দুৰ্লভ ভট্টাচাৰ্যক ২০২৪ বৰ্ষৰ বিষ্ণুৰাভা বঁটাৰে সন্মানিত কৰা হ'ব। তদুপৰি অসমৰ কলা-সংস্কৃতি, সমাজ আৰু সাহিত্য জগতলৈ অমূল্য অৱদান আগবঢ়াই অহা ৯ গৰাকী স্বনামধন্য ব্যক্তিক এটা ৰাষ্ট্ৰীয় আৰু ৮টা ৰাজ্যিক পৰ্যায়ৰ বঁটাৰে সন্মানিত কৰা হ'ব।

২০২৩ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আজানপীৰ বঁটা প্ৰবীণ চলচ্চিত্ৰ নিৰ্মাতা আনোৱাৰ হুছেইনক প্ৰদান কৰা হ'ব। আনহাতে, ৮টা ৰাজ্যিক পৰ্যায়ৰ বঁটাও প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰাৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আজি দিনৰ ১০ বজাৰ পৰা বিষ্ণু প্ৰসাদ ৰাভাৰ গীত আৰু কবিতা প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে।

আনহাতে ৰাজ্যৰ আন ঠাইৰ লগতে আজি গোৱালপাৰা জিলাতো  কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতিত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। গোৱালপাৰা মহাবিদ্যালয় কৰ্তৃপক্ষই এই উপলক্ষে আন কেইবাটাও সংগঠনৰ সহযোগত দিনজোৰা কাৰ্যসূচী ৰূপায়ণ কৰিব। একেদৰে নিখিল ৰাভা ছাত্ৰ সন্থাই কৃষ্ণাইৰ শালপাৰাত কেন্দ্ৰীয়ভাৱে, জিলা প্ৰশাসনে নটসূৰ্য ফণীশৰ্মা ভৱনত ৰাভা দিৱস পালন কৰিব।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই কাইলৈ পুৱা চাৰে ৬ বজাত তেজপুৰৰ চাৰ্চ্ছ ফিল্ডত দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ ৰাজ্যিক কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে তেজপুৰ জিলা পুথিভঁৰালৰ সন্মুখত স্থাপন কৰা স্বাধীনতা সেনানী বাবু ছবিলাল উপাধ্যায়ৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি আনুষ্ঠানিকভাৱে মুকলি কৰিব।

০০০০০০

কেন্দ্ৰীয় চৰকাৰে চলিত মাহৰ বিশ্ববিদ্যালয় অনুদান আয়োগৰ সৰ্বভাৰতীয় প্ৰৱেশ পৰীক্ষা, UGC NET বাতিল কৰিছে। পৰীক্ষাৰ নতুন সূচী আৰু তথ্য পুনৰ প্ৰকাশ কৰা হ'ব বুলি জানিবলৈ দিছে।

ভাৰতীয় চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰই দাখিল কৰা কিছু তথ্যৰ পাছতে পৰীক্ষা বাতিলৰ সিদ্ধান্ত লোৱা হয়। বিষয়টোৰ তদন্তৰ ভাৰ কেন্দ্ৰীয় তদন্তকাৰী সংস্থাৰ হাতত অৰ্পণ কৰা হৈছে। দেশৰ বিভিন্ন চহৰত যোৱা মঙলবাৰে এই পৰীক্ষা অনুষ্ঠিত হৈছিল।

০০০০০০

শক্তিপীঠ কামাখ্যা ধামত পৰহিৰে পৰা অম্বুবাচী মেলা অনুষ্ঠিত হ'ব। এই মেলা নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে অসম চৰকাৰ, কামৰূপ মহনাগৰ জিলা প্ৰশাসন আৰু অম্বুবাচী মহাযোগ পৰিচালনা সমিতিয়ে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। পৰিচালনা সমিতিয়ে প্ৰকাশ কৰা মতে পৰহি পুৱা ৮ বাজি ৪৩ মিনিট ৩৯ ছেকেণ্ডত অম্বুবাচীৰ প্ৰবৃত্তি হোৱাৰ লগে লগে কামাখ্যা মন্দিৰৰ দুৱাৰ ভক্তৰ বাবে বন্ধ হৈ পৰিব। ২৬ জুনত দেৱীক পৰম্পৰাগতভাৱে স্নান আৰু নিত্য পূজাৰ পাছত পুৱা ৬ বজাত মন্দিৰৰ দুৱাৰ মুকলি কৰা হ'ব। সমিতিয়ে প্ৰকাশ কৰা মতে কাইলৈৰ পৰা ৩০ জুনলৈ কোনোধৰণৰ ভি আই পি, ভি ভি আই পি প্ৰৱেশ পত্ৰৰ ব্যৱস্থা নাথাকিব। একেদৰে ২৬ জুনৰ পৰা ২৭ জুনলৈ বিশেষ টিকটৰ ব্যৱস্থা নাথাকিব। তদুপৰি ভক্তসকলক মেলাৰ দিনকেইটাত নিশা ৮ পৰ্যন্তহে নীলাচল পাহাৰত প্ৰৱেশ কৰিবলৈ দিয়া হ'ব। অৱশ্যে পাণ্ডুৰ পৰা কামাখ্যা মন্দিৰলৈ যোৱা পথটো ভক্তসকলৰ বাবে নিশা ৯ বজা পৰ্যন্ত খোলা থাকিব। অম্বুবাচী মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ নীলাচল পাহাৰক ধূমপানমুক্ত অঞ্চল হিচাপে ঘোষণা কৰা হৈছে। সুৰাপান অথবা অন্য নিচাযুক্ত দ্ৰব্য সেৱন কৰা কোনো লোকক দেৱালয়ৰ ভিতৰত প্ৰৱেশ কৰিবলৈ দিয়া নহ'ব। মহোৎসৱৰ প্ৰতি লক্ষ্য ৰাখি আৰক্ষী প্ৰশাসনে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তুলিছে। আৰক্ষী সঞ্চালক প্ৰধান জি পি সিঙে প্ৰকাশ কৰা মতে এইবেলি মেলাত অংশ লোৱা ভক্তসকলৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি কেইবা তৰপীয়া নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

ইপিনে, কামৰূপ মহনগৰ জিলাৰ শিক্ষা বিভাগে বিদ্যালয়সমূহলৈ অম্বুবাচী মেলাৰ সময়ত পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ নিৰ্দেশ জাৰি কৰিছে। জিলা আয়ুক্তৰ নিৰ্দেশমৰ্মে বিদ্যালয়সমূহৰ পৰিদৰ্শক দীপিকা চৌধুৰীয়ে পৰহিৰে পৰা ২৬ জুনলৈ কোনো ধৰণৰ পৰীক্ষা অনুষ্ঠিত নকৰিবলৈ বিদ্যালয়সমূহক আহ্বান জনাইছে। জিলাখনৰ অন্তৰ্গত সকলো চৰকাৰী, প্ৰাদেশিকীকৃত আৰু ব্যক্তিগত বিদ্যালয়লৈ এই জাননী জাৰি কৰা হৈছে। কোনো

বিদ্যালয়ে যদি অম্বুবাচী মেলাৰ দিনকেইটাত পৰীক্ষা দিন ধাৰ্য কৰিছে তেন্তে সেয়া সাল-সলনি কৰিবলৈ জাননীখনত উল্লেখ কৰা হৈছে। অম্বুবাচী মেলালৈ লাখ লাখ ভক্তৰ সমাগমৰ ফলত ছাত্ৰ-ছাত্ৰীৰ যাতে কোনো অসুবিধা নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি এই নিৰ্দেশনা জাৰি কৰা হৈছে।

০০০০০০

দক্ষিণ আফ্ৰিকাই যোৱা নিশা এণ্টিগুৱাৰ ছাৰ ভিভিয়ান ৰিচাৰ্ডছ ষ্টেডিয়ামত অনুষ্ঠিত ছুপাৰ এইট পৰ্যায়ৰ প্ৰথমখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰক ১৮ ৰাণত পৰাস্ত কৰে। আমেৰিকাই ১৯৫ ৰাণৰ বিজয় লক্ষ্যৰে খেলি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেটৰ বিনিময়ত ১৭৬ ৰাণহে কৰিবলৈ সমৰ্থ হয়। আমেৰিকাৰ হৈ এণ্ড্ৰিজ গ'ছে ৮০ ৰাণ কৰি অপৰাজিত হৈ ৰয়। হৰমিত সিঙে ৩৮ ৰাণৰ বৰঙণি আগবঢ়ায়। দক্ষিণ আফ্ৰিকাৰ কাগিছো ৰাবাডাই তিনিটা উইকেট দখল কৰাৰ বিপৰীতে কেশৱ মহাৰাজ, এনৰিক নাৰ্খিয়া আৰু টবৰেজ ছামছিয়ে এটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে দক্ষিণ আফ্ৰিকাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত চাৰি উইকেটৰ বিনিময়ত ১৯৪ ৰাণ কৰে। দক্ষিণ আফ্ৰিকাৰ হৈ কুইণ্টন ডি ককে ৭৪ ৰাণ আৰু এডেন মাৰ্কৰমে ৪৬ ৰাণৰ বৰঙণি আগবঢ়ায়। কুইণ্টন ডি ককক প্লেয়াৰ অব দ্য মেচ ঘোষণা কৰা হয়।

প্ৰতিযোগিতাত সম্প্ৰতি ছেইণ্ট লুছিয়াত অনুষ্ঠিত এখন খেলত ইংলেণ্ড ৱেষ্ট ইণ্ডিজৰ সন্মুখীন হৈছে। খেলখনত ৱেষ্ট ইণ্ডিজে প্ৰথমে বেট ধৰি ৪টা উইকেটৰ বিনিময়ত ইংলেণ্ডক ১৮১ ৰানৰ বিজয়লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। আমালৈ বাতৰি অহা পৰলৈকে ইংলেণ্ডে ১০ অভাৰত ২ টা উইকেট হেৰুৱাই ৮৪ ৰান কৰি খেলি আছে।

ইপিনে বাৰবাডোছত হ'বলগীয়া ছুপাৰ এইট পৰ্যায়ৰ আজিৰ দ্বিতীয়খন খেলত ভাৰত আফগানিস্তানৰ সন্মুখীন হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে কেইবাটাও গুৰুত্বপূৰ্ণ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কণ্টেইনাৰ প'ৰ্ট পাৰফৰ্মেন্স ইণ্ডেক্স চমুকৈ চি পি পি আই ২০২৩ৰ প্ৰতিবেদন অনুসৰি ভাৰতৰ ৯টা বন্দৰে বিশ্বৰ শীৰ্ষ ১০০টা বন্দৰৰ তালিকাত স্থান লাভ কৰিছে। এই বাতৰিক **দৈনিক জনমভূমি** কাকতে বিশ্বৰ ১০০টা শীৰ্ষ বন্দৰৰ তালিকাত ভাৰতৰ ৯টা শীৰ্ষক শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰাৰ লগতে **দৈনিক অগ্ৰদূত** কাকতে এই বাতৰিটোক সোণোৱালৰ কাৰ্যকালত বিশ্বৰ শ্ৰেষ্ঠ ১০০টা বন্দৰৰ তালিকাত ভাৰতৰ ৯টা শিৰোনামেৰে প্ৰকাশ কৰিছে। বিগত এসপ্তাহতকৈ অধিক কাল নেৰা-নেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ ১৯ খন জিলাত বানপানী। ৩ লাখকতৈ অধিক লোক ক্ষতিগ্ৰস্ত হোৱাৰ লগতে জলমগ্ন ৯৭৯ খনকৈ ৰাজহ গাঁও। এই পৰ্যন্ত ঠায়ে ঠায়ে ১০৫টা আশ্ৰয় শিৱিৰ স্থাপন কৰা হৈছে। এই বাতৰিক **অসমীয়া খবৰ** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

ৰাজ্য চৰকাৰে অহা ৩০ আগষ্টৰ ভিতৰত গাঁও পঞ্চায়তসমূহৰ পুনৰ গঠন আৰু ১৫ ছেপ্তেম্বৰৰ ভিতৰত উন্নয়ন খণ্ডৰ পুনৰ গঠনৰ সিদ্ধান্ত লৈছে। এই বাতৰকি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

নেট পৰীক্ষা বাতিল সন্দৰ্ভত এটা বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰশ্নকাকত ফাদিল, নেট পৰীক্ষা বাতিল শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

পুনৰ এবছৰলৈ কাৰাবন্দীত্বৰ ম্যাদ বৃদ্ধি পালে খালিস্তানপন্থী নেতা অমৃতপাল সিং সহ আন ৯ গৰাকী সহযোগীৰ। এই বাতৰিক **দৈনিক অগ্ৰদূত কাকতে** প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কৰিমগঞ্জৰ অজুৰতল অঞ্চলত ভূমিস্খলনত একে পৰিয়ালৰ ৫ জন সদস্যৰ মৃত্যু, লগতে কৰিমগঞ্জৰ বৰপুঞ্জী গাঁৰত ইনভাৰ্টৰৰ প্লাগ খুলি থাকোতে এগৰাকী ছাত্ৰৰ বিদ্যুৎস্পৃষ্ট হৈ মৃত্যু এই বাতৰিক **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

নালন্দা বিশ্ববিদ্যালয়ৰ নতুন চৌহদ উদ্বোধন প্ৰধানমন্ত্ৰী মোদীৰ। এই বাতৰিক **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

নতুনকৈ নিৰ্ধাৰণ কৰা হ'ব পঞ্চায়তৰ সীমা। এই বাতৰিটোক দি আছাম ত্ৰিবিউন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। **দ্যা ছেণ্টিনেল** কাকতে ৰাজ্যৰ বান পৰিস্থিতি সম্পৰ্কীয় এটা বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – অম্বুবাচী মেলাক লৈ উথপথপ নীলাচলৰ বুকু, ২১ জুনত শিলাদিত্য আৰু আগমণিৰ শেষকৃত্য, ৩ জুলাইলৈ জেলতে থাকিব কেজৰিৱাল ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooo

সমাপ্ত